ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

# ঔপনিৱেশিক ভৌগোলিক জ্ঞান, স্থানীয় প্ৰতিৰোধ আৰু ভাৰতৰ স্থানিক জ্ঞানৰ অৱউপনিৱেশীকৰণ

— বিক্ৰম বৰা
সহকাৰী অধ্যাপক
বাহনা মহাবিদ্যালয়
ই-মেইল্ ঃ bikram.bora@bahonacollege.edu.in

**সংক্ষিপ্তসাৰ ঃ**

এই গৱেষণাপত্ৰত ঔপনিৱেশিক ভাৰতত ভৌগোলিক জ্ঞানৰ উৎপাদন আৰু প্ৰয়োগ কিদৰে কেৱল মাত্ৰ এক বৈজ্ঞানিক অন্বেষণেই নহয়, বৰঞ্চ ই যে সাম্ৰাজ্যবাদী নিয়ন্ত্ৰণৰ এক গুৰুত্বপূৰ্ণ সঁজুলি হিচাপে উত্থাপিত হৈছিল, তাৰ বিশ্লেষণ কৰা হৈছে। ঔপনিৱেশিক মানচিত্ৰবিদ্যাই ভাৰতৰ বৈচিত্ৰ্যময় ভূ-দৃশ্যক এক পৰিমাপযোগ্য, শাসনযোগ্য এককলৈ ৰূপান্তৰিত কৰিছিল আৰু স্থানীয় মহাজাগতিক, সাংস্কৃতিক আৰু পৰিৱেশগত জ্ঞানতত্ত্বক পদ্ধতিগতভাৱে বিলোপ কৰাৰ প্ৰচেষ্টা কৰিছিল। ঔপনিৱেশিক ভৌগোলিক প্ৰকল্পসমূহ স্থানীয় শ্ৰম আৰু জ্ঞানৰ ওপৰত নিৰ্ভৰশীল হলেও পাশ্চাত্য-কেন্দ্ৰিক বৈজ্ঞানিক শ্ৰেষ্ঠত্ব আৰু প্ৰভুত্ব স্থাপনৰ বাবে ই স্থানীয় অৱদানসমূহক প্ৰান্তীয়কৰণত সহায় কৰিছিল, যিয়ে ঔপনিৱেশিক ক্ষমতাৰ স্তৰবিন্যাসক অধিক শক্তিশালী কৰিছিল।

এই বিশ্লেষণত ঔপনিৱেশিক আৰু পৰম্পৰাগত জ্ঞান ব্যৱস্থাৰ মাজৰ জটিল আন্তঃক্ৰিয়াৰ ওপৰত আলোকপাত কৰা হৈছে, বিশেষকৈ স্বকীয়কৰণ, প্ৰতিৰোধ আৰু সংকৰণৰ প্ৰক্ৰিয়াসমূহৰ প্ৰসঙ্গত। বহু ক্ষেত্ৰত ভাৰতৰ স্থানীয় লোকসকলে মৌখিক পৰম্পৰা, পবিত্ৰ ভূ-দৃশ্য আৰু অভিযোজনমূলক কৃষি পদ্ধতিৰ জৰিয়তে ঔপনিৱেশিক স্থানিক যুক্তিসমূহক প্ৰতিহত কৰিছিল আৰু এক বিকল্প জ্ঞানতত্ত্বৰ বিকাশ কৰিছিল। এই আলোচনাত ঔপনিৱেশিক হস্তক্ষেপসমূহৰ পৰিৱেশগত আৰু অৰ্থনৈতিক পৰিণামসমূহৰ ওপৰতো আলোকপাত কৰা হৈছে, যিসমূহে পাৰিপাৰ্শ্বিক অৱনতি আৰু সামাজিক-অৰ্থনৈতিক অসমতাক ত্বৰান্বিত কৰিছিল।

সামৰণিত, গৱেষণাপত্ৰখনে অৱউপনিৱেশিকীকৰণৰ কৌশলৰ ওপৰতো গুৰুত্ব আৰোপ কৰে, আৰু শিক্ষা সংস্কাৰ, ভৌগোলিক জ্ঞানৰ পুনৰ্নিৰ্মাণ তথা আনুষ্ঠানিক পুনৰ্গঠনৰ জৰিয়তে প্ৰান্তীয় কণ্ঠস্বৰসমূহক পুনৰ সংস্থাপনৰ বাবে আহ্বান জনায়। তাৰোপৰি ই সমসাময়িক ভৌগোলিক আলোচনাসমূহৰ ইউৰোকেন্দ্ৰিক পৰিকাঠামো ভংগ কৰাৰ নৈতিক প্ৰয়োজনীয়তাৰ ওপৰত, আৰু ঔপনিৱেশিকোত্তৰ প্ৰেক্ষাপটত স্থানীয় জ্ঞানতত্ত্বৰ সমন্বয়ত এক অন্তৰ্ভুক্তিমূলক, ন্যায়সংগত জ্ঞান ব্যৱস্থা গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

***বীজশব্দ ঃ*** *ভৌগোলিক জ্ঞান, ঔপনিৱেশিক জ্ঞান, পৰম্পৰাগত জ্ঞান, মানচিত্ৰ, অৱউপনিৱেশীকৰণ।*

**আৰম্ভণি ঃ**

ঔপনিৱেশিক যুগত ক্ষমতাৰ এক মূল ভেটি আছিল জ্ঞানৰ ওপৰত থকা নিয়ন্ত্ৰণ। বিশেষকৈ

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

ঔপনিৱেশিক ভূখণ্ডসমূহ বুজি পোৱাৰ, পৰিচালনা কৰাৰ, আৰু নিয়ন্ত্ৰণ কৰাৰ পদ্ধতিবোৰ গঠন কৰাত ভৌগোলিক জ্ঞানৰ এক বিশেষ ভূমিকা আছিল। সেয়েহে ভাৰতত ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ সময়ত, ভৌগোলিক জ্ঞান মাত্ৰ এক শৈক্ষিক আৰু বিদ্যায়তনিক বিষয় নাছিল, বৰঞ্চ ই আছিল ভাৰতীয় উপমহাদেশৰ ভৌতিক আৰু সাংস্কৃতিক দৃশ্যপটৰ ওপৰত আধিপত্য বিস্তাৰ কৰা, অৰ্থনৈতিক শোষণ কৰা আৰু এই দৃশ্যপটৰ পুনৰ্গঠন কৰাৰ বাবে ব্যৱহাৰ কৰা এক সাম্ৰাজ্যবাদী সঁজুলি। মানচিত্ৰ, জৰীপ আৰু ভৌগোলিক নথিপত্ৰ হৈ পৰিছিল ঔপনিৱেশিক নিয়ন্ত্ৰণৰ সঁজুলি; আৰু এইসমূহে ভাৰতৰ বৈচিত্ৰ্যময় আৰু আন্তঃসংযুক্ত ভূখণ্ডসমূহক ঔপনিৱেশিক প্ৰশাসকসকলৰ দ্বাৰা সহজে প্ৰশাসন নিয়ন্ত্ৰণ কৰিব পৰা আৰু অৰ্থনৈতিকভাৱে শোষণ কৰিব পৰা স্থানলৈ ৰূপান্তৰিত কৰিছিল।

এডৱাৰ্ড ছাইডৰ প্ৰাচ্যবাদ (Orientalism) তত্ত্বই কেনেদৰে এক বিস্তৃত আদৰ্শগত পৰিসৰৰ ভিতৰত ঔপনিৱেশিক জ্ঞানৰ উৎপাদন আৰু প্ৰসাৰ হয় তাক বুজাৰ বাবে এক মৌলিক পৰিকাঠামো প্ৰদান কৰে। ছাইডে যুক্তি দিয়ে যে ঔপনিৱেশিক শক্তিসমূহে প্ৰাচ্যৰ দেশসমূহক এক বিশৃংখল, সভ্যতাবিহীন আৰু নিকৃষ্ট 'অন্য' (other) ৰূপত উপস্থাপন কৰিছিল, এক যুক্তিসঙ্গত আৰু সুশৃঙ্খল পাশ্চাত্যৰ সম্পূৰ্ণ বিপৰীতমুখী অৱস্থানত। এই উপস্থাপনে ঔপনিৱেশিক ভূখণ্ডসমূহৰ ওপৰত ইউৰোপীয় হস্তক্ষেপক ন্যায্যতা প্ৰদান কৰিছিল- এক বিশৃংখল স্থানক সভ্যতা আৰু যুক্তিসংগত কৰাৰ দিশত এক প্ৰয়োজনীয় কাৰ্য হিচাপে (Said, ১৯৭৮, পৃ. ৪৯)। ঔপনিৱেশিক ভাৰতত ভৌগোলিক জ্ঞানে এই বিশ্বদৰ্শনক প্ৰতিফলিত কৰিছিল- ব্ৰিটিছ মানচিত্ৰ নিৰ্মাতা আৰু জৰীপকাৰীসকলে ভাৰতীয় ভূ-দৃশ্যক পৰিমাপ, শ্ৰেণীবিভাজন আৰু নিয়ন্ত্ৰণ কৰিব পৰা ৰূপত পুনৰ্নিৰ্মাণ কৰিছিল। এই কাৰ্য কেৱল এক বৈজ্ঞানিক প্ৰক্ৰিয়াই নহয়; বৰঞ্চ ই আছিল এক গভীৰ ৰাজনৈতিক প্ৰক্ৰিয়া, যি ঔপনিৱেশিক ভূখণ্ডসমূহৰ নিৰ্মাণত ৰাজনৈতিক ক্ষমতাৰ ভূমিকাক এক গতিশীল ৰূপ প্ৰদান কৰিছিল।

ঔপনিৱেশিক ভৌগোলিক প্ৰকল্পসমূহৰ ভিতৰত বিশেষ গুৰুত্বপূৰ্ণ আছিল জেমছ ৰেনেলৰ দ্বাৰা ১৭৮২ চনত প্ৰকাশিত এটলাছ অৱ হিন্দুষ্টান আৰু ১৮০২ চনৰ পৰা আৰম্ভ হোৱা গ্ৰেট ট্ৰাইগোন'মেট্ৰিকেল চাৰ্ভে (জিটিএছ)। এই প্ৰকল্পসমূহে ব্ৰিটিছ সাম্ৰাজ্যবাদী উচ্চাকাংক্ষাক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। যদিও এই প্ৰকল্পসমূহক ব্ৰিটিছ বৈজ্ঞানিক কৃতিত্ব হিচাপে উপস্থাপন কৰা হৈছিল, কিন্তু এইসমূহৰ সাফল্যত ভাৰতীয় পণ্ডিত, জৰীপকাৰী আৰু স্থানীয় তথ্য যোগানকাৰীসকলৰ শ্ৰম আৰু দক্ষতাৰ যথেষ্ট ভূমিকা আছিল। ইউৰোপীয় চাতুৰ্য্য আৰু শ্ৰেষ্ঠতাক প্ৰতিপন্ন কৰিবৰ বাবে এই স্থানীয় ব্যক্তিসকলৰ অৱদান ঐতিহাসিক বিৱৰণৰ পৰা প্ৰায়ে পদ্ধতিগতভাৱে মচি পেলোৱা হৈছিল (Edney, ১৯৯৭, পৃ. ১২১, ১৪৯)। ইয়াৰ জৰিয়তে ঔপনিৱেশিক ভূগোলে এক জ্ঞানতাত্ত্বিক স্তৰবিন্যাসৰ সৃষ্টি কৰিছিল যিয়ে পশ্চিমীয়া বিজ্ঞানক ভৌগোলিক জ্ঞানৰ একমাত্ৰ কৰ্তৃত্ব হিচাপে স্থাপন কৰিছিল।

ঔপনিৱেশিক ভৌগোলিক জ্ঞানৰ উৎপাদন প্ৰথমে ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানী আৰু পিছলৈ ব্ৰিটিছ ৰাজৰ প্ৰশাসনিক আৰু সামৰিক প্ৰয়োজনীয়তাৰ সৈতে ঘনিষ্ঠভাৱে জড়িত আছিল। সামৰিক অভিযানসমূহৰ পৰিকল্পনা কৰোঁতে, ভৌগোলিক সীমা নিৰ্ধাৰণ কৰোঁতে আৰু প্ৰাকৃতিক সম্পদ আহৰণ প্ৰক্ৰিয়া সংগঠিত কৰাৰ বাবে মানচিত্ৰসমূহ অতি অত্যাৱশ্যকীয় আছিল। উদাহৰণস্বৰূপে, ভাৰতীয় ৰাজ্যসমূহৰ বিৰুদ্ধে কোম্পানীৰ সামৰিক অভিযানসমূহৰ সময়ত জেমছ ৰেনেলৰ মানচিত্ৰসমূহ ব্যাপকভাৱে ব্যৱহাৰ

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

কৰা হৈছিল, যিয়ে ভূখণ্ড আৰু আন্তঃগাঁথনিৰ ওপৰত বহু কৌশলগত তথ্য প্ৰদান কৰিছিল। একেদৰে, জিটিএছ-এ ভৌগোলিক স্থান আৰু মানচিত্ৰৰ সাধাৰণীকৰণ কৰাত সহায় কৰিছিল, যি ৰাজহ ব্যৱস্থা, ভূমি ব্যৱস্থাপনা আৰু প্ৰশাসনক অধিক দক্ষ কৰি তুলিছিল।

ঔপনিৱেশিক ভৌগোলিক পদ্ধতিসমূহে ভাৰতৰ ওপৰত এক নতুন স্থানিক (spatial) যুক্তি আৰোপ কৰিবলৈ চেষ্টা কৰিছিল, যাৰ ফলত ভৌগোলিক স্থানসমূহৰ থলুৱা বোধগম্যতাসমূহত ব্যাঘাত সৃষ্টি হৈছিল। মহাজাগতিক, ধৰ্মীয় আৰু সাংস্কৃতিক পৰিকাঠামোত নিহিত পৰম্পৰাগত ভাৰতীয় ভৌগোলিক ধাৰণাসমূহক অবৈজ্ঞানিক বা আদিম বুলি নাকচ কৰা হৈছিল। উদাহৰণস্বৰূপে, ভাৰতৰ পৱিত্ৰ ভূ-দৃশ্যসমূহ যেনে গংগা নদী যাক হিন্দু ব্ৰহ্মাণ্ডবিজ্ঞানত এক জীৱন্ত সত্তা হিচাপে সন্মান কৰা হৈছিল, ঔপনিৱেশিক মানচিত্ৰত এই নদীৰ পুনৰ্কল্পনা হৈছিল এক পৰিমাপ কৰিব পৰা আৰু সম্পদৰ শোষণৰ বাবে ব্যৱহাৰ কৰিব পৰা এক ভৌতিক বৈশিষ্ট্য হিচাপে। এই দৃষ্টিভংগীৰ পৰিৱৰ্তনে থলুৱা জ্ঞানতত্ত্বক দুৰ্বল কৰাই নহয়, ঔপনিৱেশিক ভাৰতৰ প্ৰাকৃতিক সম্পদৰ পণ্যায়ন আৰু শোষণকো সহজ কৰি তুলিছিল।

মেৰী লুইছ প্ৰাটৰ মতে ঔপনিৱেশিক ভৌগোলিক অন্বেষণকাৰীসকলে অচিনাকি ভূখণ্ডত চলাচল কৰিবলৈ আৰু এই ভূখণ্ডসমূহক বুজিবলৈ বহু পৰিমাণে থলুৱা পৰম্পৰাগত জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰিছিল। কিন্তু ঔপনিৱেশিক অন্বেষণকাৰী আৰু মানচিত্ৰ নিৰ্মাতাসকলৰ কৃতিত্বত এই থলুৱা অৱদানবোৰক প্ৰায়ে উপাখ্যানমূলক (anecdotal) বা আনুষংগিক বুলি নাকচ কৰা হৈছিল (Pratt, ১৯৯২, পৃ. ১৫)। থলুৱা অৱদানক নাকচ আৰু বিলোপ কৰা এই প্ৰক্ৰিয়া আছিল পশ্চিমীয়া বিজ্ঞান আৰু যুক্তিবাদৰ শ্ৰেষ্ঠত্ব দাবী কৰাৰ এক ইচ্ছাকৃত কৌশল, যি সাম্ৰাজ্যবাদৰ বিস্তৃত আদৰ্শগত পৰিকাঠামোক শক্তিশালী কৰিছিল। কিন্তু এই প্ৰক্ৰিয়াক অতি চতুৰভাৱে উপস্থাপন কৰা হৈছিল। ই আছিল এক 'বৈজ্ঞানিক উপনিবেশবাদ', যাক এক যুক্তিসঙ্গত আৰু বৈজ্ঞানিক উন্নতিৰ সঁজুলি হিচাপে প্ৰস্তুত কৰা হৈছিল, যাৰ ফলত ইয়াৰ শোষণমূলক আৰু দমনমূলক প্ৰকৃতিক স্পষ্টভাৱে অনুধাৱন কৰা সহজ নাছিল (Whitt, ২০০৯, পৃ. ৪২)।

এই গৱেষণাপত্ৰখনত ভাৰতত ঔপনিৱেশিক ভৌগোলিক জ্ঞানৰ জটিলতাসমূহ তিনিটা মূল বিষয়ৰ জৰিয়তে পৰ্য্যবেক্ষণ কৰা হ'ব ঃ (১) ঔপনিৱেশিক ভৌগোলিক জ্ঞানৰ উৎপাদন আৰু ৰূপায়ণ, (২) ভাৰতীয় স্থানীয় জ্ঞান পদ্ধতিৰ সৈতে ইয়াৰ পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়া, আৰু (৩) বৰ্তমানৰ প্ৰেক্ষাপটত এই জ্ঞানৰ অৱউপনিৱেশিকীকৰণ (decolonisation)ৰ কৌশল। এই বিশ্লেষণৰ জৰিয়তে ঔপনিৱেশিক ভৌগোলিক প্ৰকল্পসমূহে কিদৰে ভাৰতৰ ভৌগোলিক দৃশ্যপট পুনৰ গঠন কৰিছিল, কিদৰে থলুৱা জ্ঞান পদ্ধতিত ব্যাঘাত সৃষ্টি কৰিছিল আৰু এক অ-সমতাৰ সৃষ্টি কৰিছিল তাক অধ্যয়ন কৰা হ'ব। ভৌগোলিক স্থানৰ এক অধিক অন্তৰ্ভুক্তিমূলক (inclusive) আৰু ন্যায়সংগত বোধগম্যতাৰ জৰিয়তে, কিদৰে সমসাময়িক ভূগোল চৰ্চাত প্ৰান্তীয় দৃষ্টিভংগীসমূহ পুনৰ অন্তৰ্ভুক্ত কৰিব পাৰি তাৰো অন্বেষণ কৰা হ'ব।

**ঔপনিৱেশিক ভৌগোলিক জ্ঞানৰ উৎপাদন আৰু ৰূপায়ণ ঃ**

ভাৰতত ঔপনিৱেশিক ভৌগোলিক জ্ঞানৰ উৎপাদন আৰু ৰূপায়ণ সাম্ৰাজ্যবাদী আধিপত্য, শাসন আৰু অৰ্থনৈতিক শোষণৰ বিস্তৃত উদ্দেশ্যৰ সৈতে গভীৰভাৱে জড়িত আছিল। এক নিৰপেক্ষ বা সম্পূৰ্ণৰূপে বৈজ্ঞানিক প্ৰচেষ্টাৰ পৰিৱৰ্তে, ভাৰতৰ মানচিত্ৰ নিৰ্মাণ আৰু ভৌগোলিক জৰীপ আছিল এক গভীৰ ৰাজনৈতিক প্ৰক্ৰিয়া, যিয়ে উপমহাদেশক ব্ৰিটিছ প্ৰশাসকসকলৰ বাবে এক বোধগম্য, নিয়ন্ত্ৰণযোগ্য আৰু


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

সম্পদ আহৰণযোগ্য স্থানলৈ ৰূপান্তৰিত কৰিবলৈ চেষ্টা কৰিছিল। এই প্ৰচেষ্টাৰ তিনিটা গুৰুত্বপূৰ্ণ দিশত এই ৰচনাত গুৰুত্ব আৰোপ কৰা হ'ব ঃ আধিপত্যৰ সঁজুলি হিচাপে মানচিত্ৰ, ভূগোলৰ আনুষ্ঠানিকীকৰণ, আৰু ইয়াৰ অৰ্থনৈতিক আৰু পাৰিপাৰ্শ্বিক পৰিণাম।

**আধিপত্যৰ সঁজুলি হিচাপে মানচিত্ৰ ঃ**

ভাৰতৰ ওপৰত নিয়ন্ত্ৰণ স্থাপন আৰু এই নিয়ন্ত্ৰণ অব্যাহত ৰাখিবলৈ ব্ৰিটিছ সাম্ৰাজ্যই ব্যৱহাৰ কৰা আটাইতকৈ ফলপ্ৰসূ সঁজুলিসমূহৰ ভিতৰত এক আছিল মানচিত্ৰ নিৰ্মাণ। প্ৰাৰম্ভিক মানচিত্ৰ নিৰ্মাণৰ প্ৰচেষ্টাসমূহ, যেনে জেমছ ৰেনেলৰ এটলাছ অৱ হিন্দুষ্টান আদিসমূহৰ আঁৰৰ স্পষ্ট উদ্দেশ্য আছিল ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ সামৰিক আৰু প্ৰশাসনিক কাৰ্যকলাপত সহায় কৰা। ৰেনেলৰ মানচিত্ৰসমূহে ভাৰতৰ নদী, পৰ্বত আৰু বাণিজ্যিক পথসমূহৰ ওপৰত বিশদ ভৌগোলিক তথ্য প্ৰদান কৰিছিল, যাৰ ফলত কোম্পানীয়ে সামৰিক অভিযানৰ পৰিকল্পনা কৰিবলৈ আৰু ইয়াৰ আঞ্চলিক নিয়ন্ত্ৰণ সম্প্ৰসাৰণ কৰিবলৈ সক্ষম হৈছিল। এই মানচিত্ৰসমূহে কেৱল ভাৰতৰ ভূগোলক নথিভুক্তকৰণ কৰাই নহয় বৰঞ্চ ইয়াক এক খণ্ডিত আৰু শাসনযোগ্য স্থান হিচাপে সক্ৰিয়ভাৱে পুনৰ কল্পনা কৰিছিল, যাৰ ফলত ব্ৰিটিছ শক্তিৰ প্ৰক্ষেপণ সহজ হৈ পৰিছিল (Edney, ১৯৭৮, পৃ. ১২১)।

১৮০২ চনত আৰম্ভ হোৱা গ্ৰেট ট্ৰাইগোন'মেট্ৰিকেল চাৰ্ভে (জিটিএছ) আছিল ব্ৰিটিছ সাম্ৰাজ্যৰ কাৰ্ট'গ্ৰাফিক উচ্চাকাংক্ষাৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি। উইলিয়াম লেম্বটন আৰু জৰ্জ এভাৰেষ্টৰ নেতৃত্বত জিটিএছে ভাৰতৰ সঠিক মানচিত্ৰ প্ৰস্তুত কৰিবলৈ উন্নত ট্ৰায়েংগোলেচন কৌশল ব্যৱহাৰ কৰিছিল। এই মানচিত্ৰসমূহক ব্ৰিটিছ বৈজ্ঞানিক চাতুৰ্যৰ উদাহৰণ আৰু প্ৰযুক্তিগত সাফল্য হিচাপে উপস্থাপন কৰা হৈছিল। অৱশ্যে, মেথিউ এডনীয়ে আলোকপাত কৰাৰ দৰে, জিটিএছৰ সফলতা ভাৰতীয় পণ্ডিতসকলৰ শ্ৰম, জ্ঞান আৰু দক্ষতাৰ ওপৰত যথেষ্ট নিৰ্ভৰশীল আছিল। মানচিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত এই স্থানীয় লোকসকলৰ দ্বাৰা কৰা ক্ষেত্ৰ অধ্যয়ন, দূৰত্ব নিৰূপণ আৰু জ্যোতিৰ্বিজ্ঞানৰ অধ্যয়ন অতি গুৰুত্বপূৰ্ণ আছিল। কিন্তু ব্ৰিটিছ বৈজ্ঞানিক শ্ৰেষ্ঠতাক প্ৰতিপন্ন কৰাৰ বাবে এই স্থানীয় লোকসকলৰ অৱদানক পদ্ধতিগতভাৱে ঔপনিৱেশিক বাগধাৰাৰ পৰা বাদ দিয়া হৈছিল (Edney, ১৯৭৮, পৃ. ২৩৬)।।

এডৱাৰ্ড ছাইডৰ "কল্পনাশীল ভূগোল" (imaginative geography)ৰ ধাৰণাটোৱে এই মানচিত্ৰ নিৰ্মাণ প্ৰক্ৰিয়াটোৰ আদৰ্শগত মাত্ৰাক বুজি পোৱাত সহায় কৰে। ভাৰতৰ পৰম্পৰাগত ভৌগোলিক জ্ঞানক বিশৃংখল ৰূপত উপস্থাপন কৰি ঔপনিৱেশিক মানচিত্ৰ নিৰ্মাতাসকলে তেওঁলোকৰ হস্তক্ষেপক এক সভ্যতাকেন্দ্ৰিক প্ৰয়োজনীয় কাৰ্য হিচাপে ন্যায়সঙ্গত কৰাৰ চেষ্টা কৰিছিল। ই ভাৰতীয় ভূখণ্ডসমূহৰ ঔপনিৱেশিক বশীভূতকৰণ কাৰ্য্যক এক স্বাভাৱিক প্ৰক্ৰিয়া ৰূপে উপস্থাপন কৰিছিল, আৰু ভৌগোলিক জ্ঞানক সাম্ৰাজ্যবাদী মতাদৰ্শৰ এক অবিচ্ছেদ্য অংগ কৰি তুলিছিল (Said, ১৯৭৮, পৃ. ১১৩)।

গিলিয়ান ৰোজে মানচিত্ৰবিদ্যাৰ অনুশীলনৰ লিংগভিত্তিক প্ৰকৃতি পৰীক্ষা কৰি এই চৰ্চাত আন এক মাত্ৰা সংযোগ কৰিছে। তেওঁ কয় যে ঔপনিৱেশিক মানচিত্ৰ নিৰ্মাণ আৰু ভৌগোলিক অন্বেষণে এক পুৰুষকেন্দ্ৰিক (masculinist) ৰূপত ভূখণ্ডৰ বশিকৰণ আৰু ইয়াৰ ওপৰত প্ৰভাৱ বিস্তাৰৰ পোষকতা কৰিছিল। ই ঔপনিৱেশিক আৰু পিতৃতান্ত্ৰিক উভয় মতাদৰ্শকে শক্তিশালী কৰি ব্ৰিটিছ সাম্ৰাজ্যক এক যুক্তিসঙ্গত আৰু

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

পৰোপকাৰী শক্তি হিচাপে উপস্থাপন কৰিছিল, যি এক বিশৃংখল দৃশ্যপটলৈ শৃংখলা কঢ়িয়াই অনাৰ দাবী কৰিছিল (Rose, ১৯৯৩, পৃ. ৬২)। মানচিত্ৰকলাৰ ভাষাসমূহ- যেনে পৰ্বত শিখৰ 'জয় কৰা' বা অৰণ্য 'ভেদি যোৱা' আদিসমূহে ইয়াকে প্ৰতিফলিত কৰে।

**ভূগোলৰ আনুষ্ঠানিকীকৰণ ঃ**

ব্ৰিটিছ সাম্ৰাজ্যৰ অধীনত ভাৰতত ভৌগোলিক জ্ঞান উৎপাদন আৰু ৰূপায়ণৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ কাৰক আছিল এক বৈজ্ঞানিক আৰু বিদ্যায়তনিক বিষয় হিচাপে ভূগোলৰ আনুষ্ঠানিক প্ৰতিষ্ঠা। ৰয়েল জিঅ'গ্ৰাফিকেল ছ'চাইটি (আৰ. জি. এছ.)ৰ দৰে সংস্থাসমূহে মানচিত্ৰ নিৰ্মাণ আৰু ভৌগোলিক অন্বেষণক আনুষ্ঠানিকীকৰণৰ ক্ষেত্ৰত এক কেন্দ্ৰীয় ভূমিকা পালন কৰিছিল আৰু এই কাৰ্যকলাপসমূহক বৈজ্ঞানিক আৰু দেশভক্তিমূলক কাৰ্য হিচাপে উপস্থাপন কৰিছিল। ফেলিক্স ড্ৰাইভাৰে কয় যে আৰ. জি. এছ.-এ ভূ-দৃশ্যৰ নথিভুক্তকৰণ আৰু ইয়াৰ সাধাৰণীকৰণ, ভৌগোলিক অন্বেষণৰ পৃষ্ঠপোষকতা আৰু ভৌগোলিক জ্ঞানক এক অনন্য ৰূপত ব্ৰিটিছ কৃতিত্ব হিচাপে প্ৰচাৰ কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল (Driver, ২০০১,পৃ. ২২)। হিণ্টছ টু ট্ৰেভেলাৰ্ছৰ দৰে প্ৰকাশনৰ জৰিয়তে, আৰ. জি. এছ.-এ ভৌগোলিক অন্বেষণকাৰীসকলক কেনেদৰে ভৌগোলিক তথ্য সংগ্ৰহ আৰু উপস্থাপন কৰিব লাগে তাৰ বাবে নিৰ্দেশনা প্ৰদান কৰিছিল, যাতে তেওঁলোকৰ কামসমূহৰ সাম্ৰাজ্যবাদী শাসনৰ বিস্তৃত উদ্দেশ্যৰ সৈতে সংগতি থাকে। এই প্ৰক্ৰিয়াসমূহৰ বৰ্ণনাৰ পৰা স্থানীয় ব্যক্তিসকলৰ অৱদানক প্ৰায়ে বাদ দিয়া হৈছিল, যিয়ে ইউৰোপীয় অন্বেষণকাৰীসকলক বীৰত্বপূৰ্ণ (heroic) ব্যক্তিত্ব হিচাপে উদযাপন কৰিছিল (Pratt, ১৯৯২, পৃ. ১৫)।

ইয়াৰ ফলত উপনিৱেশসমূহত ব্ৰিটিছ সাম্ৰাজ্যক ভৌগোলিক জ্ঞানৰ একমাত্ৰ কৰ্তৃত্ব হিচাপে প্ৰতিষ্ঠা কৰা হৈছিল। একেদৰেই উপনিৱেশসমূহতো ভূগোলৰ আনুষ্ঠানিকীকৰণৰ বাবে বহু ঔপনিৱেশিক প্ৰতিষ্ঠান স্থাপন কৰা হৈছিল যিয়ে ভৌগোলিক জ্ঞানৰ উৎপাদন আৰু প্ৰচাৰত সহায় কৰিছিল। উদাহৰণস্বৰূপে, চাৰ্ভে অৱ ইণ্ডিয়া হৈ পৰিছিল উপমহাদেশৰ মানচিত্ৰ নিৰ্মাণ আৰু জৰীপৰ বাবে এক গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান। এই মানচিত্ৰবোৰ কেৱল শাসনৰ সঁজুলি নাছিল, বৰঞ্চ সাম্ৰাজ্যবাদী আদৰ্শৰ সঁজুলিও আছিল, যিয়ে ভাৰতৰ ভূগোলৰ উপস্থাপনত ঔপনিৱেশিক দৃষ্টিভংগী অন্তৰ্ভুক্ত কৰিছিল।

মানচিত্ৰসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দ্বাৰা ঔপনিৱেশিক শক্তিৰ গাঁথনিসমূহক অধিক শক্তিশালী কৰা হৈছিল। মানচিত্ৰৰ উৎপাদন আৰু বিতৰণ নিয়ন্ত্ৰণ কৰি, ব্ৰিটিছ সাম্ৰাজ্যই ভাৰতৰ ভূগোলৰ বিষয়ে বিশ্বব্যাপী ধাৰণাবোৰ গঠন আৰু নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছিল, আৰু ইয়াক ইউৰোপীয় দক্ষতাৰ দ্বাৰা যুক্তিসংগতভাৱে সংগঠিত আৰু পৰিচালিত ৰূপত উপস্থাপন কৰিছিল (Alexander, ২০২৩, পৃ. ৮৮)। এই প্ৰক্ৰিয়াটোৱে ভৌগোলিক স্থানৰ থলুৱা ৰূপসমূহৰ প্ৰান্তীয়কৰণ কৰিছিল, আৰু এইসমূহক অবৈজ্ঞানিক বা উপাখ্যানকেন্দ্ৰিক হিচাপে নাকচ কৰিছিল, যাৰ ফলত পশ্চিমীয়া জ্ঞানতত্ত্বৰ আধিপত্য আৰু অধিক বৃদ্ধি পাইছিল।

**অৰ্থনৈতিক আৰু পৰিৱেশগত পৰিৱৰ্তন ঃ**

ঔপনিৱেশিক ভৌগোলিক জ্ঞানৰ উৎপাদন আৰু ৰূপায়ণৰ বহু গভীৰ অৰ্থনৈতিক আৰু পাৰিপাৰ্শ্বিক


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

পৰিণাম দেখা গৈছিল। ইয়াৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশবোৰৰ ভিতৰত এটা আছিল কেডাষ্ট্ৰেল জৰীপৰ প্ৰৱৰ্তন, যিয়ে ভাৰতত ভূমিৰ মালিকানাৰ ধাৰণাৰ পুনৰ্নিৰ্ধাৰণ কৰিছিল। ঔপনিৱেশিক শাসনৰ অধীনত, ৰাজহুৱা ভূমিক কৰ আৰোপ কৰিব পৰা ব্যক্তিগত সম্পত্তিলৈ ৰূপান্তৰিত কৰা হৈছিল, যাৰ ফলত সম্পদ আহৰণৰ সুবিধা হৈছিল আৰু ভূমি কৰৰ জৰিয়তে ৰাজহ সৃষ্টি কৰাত সহায় হৈছিল। ল'ৰেলিন হুইটে এই প্ৰক্ৰিয়াক 'বৈজ্ঞানিক ঔপনিৱেশিকতা'ৰ এক ৰূপ হিচাপে চিহ্নিত কৰে, য'ত ভূমিৰ মালিকানাৰ যুক্তিসঙ্গতকৰণক এক প্ৰগতিশীল সংস্কাৰ হিচাপে প্ৰস্তুত কৰা হৈছিল, আৰু ইয়াৰ ফলত ইয়াত নিহিত শোষণমূলক আৰু দমনমূলক প্ৰকৃতিক স্পষ্টভাৱে জানিব পৰা নগৈছিল (Whitt, ২০০৯, পৃ. ৪২)।

কেডাষ্ট্ৰেল জৰীপসমূহে ভূমি প্ৰশাসনৰ পৰম্পৰাগত পদ্ধতিত ব্যাঘাত সৃষ্টি কৰিছিল, থলুৱা সম্প্ৰদায়সমূহক স্থানচ্যুত কৰিছিল আৰু সম্পদ ব্যৱস্থাপনাৰ স্থানীয় প্ৰণালীক দুৰ্বল কৰি তুলিছিল। ভূমিৰ পণ্যকৰণ আৰু ইয়াক এক কৰযোগ্য দ্ৰব্যলৈ পৰিৱৰ্তনৰ জৰিয়তে, ব্ৰিটিছ উপনিৱেশবাদে এক নতুন স্থানিক যুক্তি আৰোপ কৰিছিল, যিয়ে পাৰিপাৰ্শ্বিক স্থায়িত্বতকৈ অৰ্থনৈতিক দক্ষতাক অগ্ৰাধিকাৰ দিছিল। এই পৰিৱৰ্তন কৃষি খণ্ডত বিশেষভাৱে পৰিলক্ষিত হৈছিল, য'ত শস্যাৱৰ্তন আৰু ৰাজহুৱা জলসিঞ্চন ব্যৱস্থাৰ দৰে পৰম্পৰাগত প্ৰথাৰ ঠাইত ঔপনিৱেশিক ৰাষ্ট্ৰৰ লাভৰ বাবে বাগিচাকেন্দ্ৰিক কৃষিৰ প্ৰৱৰ্তন হৈছিল (Whitt, ২০০৯, পৃ. ৪২)।

এই পৰিৱৰ্তনসমূহৰ পাৰিপাৰ্শ্বিক প্ৰভাৱ সমানেই গুৰুত্বপূৰ্ণ আছিল। ঔপনিৱেশিক মানচিত্ৰ নিৰ্মাণ আৰু ভূমি-ব্যৱহাৰৰ নীতিয়ে ভাৰতৰ বৃহৎ পৰিমাণৰ বনাঞ্চল ধ্বংস কৰিছিল, কাৰণ চাহ, কফি আৰু অন্যান্য নগদ শস্যৰ খেতিৰ বাবে বনাঞ্চল মুকলি কৰা হৈছিল। এই পৰিৱৰ্তনে ভূমিৰ সৈতে থলুৱা সম্প্ৰদায়সমূহৰ আধ্যাত্মিক আৰু পৰিৱেশগত সম্পৰ্ক বিচ্ছিন্ন কৰিছিল, আৰু পৰম্পৰাগত বহনক্ষম পদ্ধতিবোৰৰ স্থানত শোষণমূলক ঔপনিৱেশিক পদ্ধতিৰ প্ৰৱৰ্তন কৰিছিল (Blue, and Thrasher, ২০০৮, পৃ. ৩০)। স্থানীয় ব্ৰহ্মাণ্ডবিজ্ঞানৰ অবিচ্ছেদ্য অংশস্বৰূপ পবিত্ৰ বনাঞ্চল (sacred groves) আৰু অন্যান্য সাংস্কৃতিকভাৱে গুৰুত্বপূৰ্ণ ভূ-দৃশ্যসমূহৰ পণ্যকৰণ বা ধ্বংস কৰা হৈছিল, যাৰ ফলত ভাৰতৰ থলুৱা সমাজসমূহৰ সাংস্কৃতিক আৰু পাৰিপাৰ্শ্বিক গাঁথনিৰ অধিক ক্ষয় হৈছিল (Blue, and Thrasher, ২০০৮, পৃ. ২৪)।

ব্ৰিটিছ প্ৰশাসনে সম্পদ আহৰণ আৰু ইয়াৰ ৰপ্তানি সহজ কৰি তুলিবলৈ ৰেলপথৰ দৰে নতুন পৰিবহণ ব্যৱস্থাও প্ৰৱৰ্তন কৰিছিল। যদিও এই ব্যৱস্থাসমূহক প্ৰগতিৰ প্ৰতীক হিচাপে উদযাপন কৰা হৈছিল, সেইবোৰ মূলত স্থানীয় জনসাধাৰণৰ প্ৰয়োজনীয়তাৰ পৰিৱৰ্তে সাম্ৰাজ্যৰ অৰ্থনৈতিক স্বাৰ্থ পূৰণৰ বাবেহে প্ৰৱৰ্তন কৰা হৈছিল। ই ভাৰতক সমগ্ৰ বিশ্বৰ বাণিজ্যিক প্ৰক্ৰিয়াসমূহৰ অংশ কৰি তুলি ভাৰতৰ অৰ্থনীতিক কেঁচা সামগ্ৰীৰ নিষ্কাশন আৰু ৰপ্তানিৰ ওপৰত নিৰ্ভৰশীল এক অৰ্থনীতিলৈ ৰূপান্তৰিত কৰিছিল, যাৰ ফলত অৰ্থনৈতিক বৈষম্য আৰু পৰিৱেশৰ অৱনতি ভৱিষ্যতৰ বাবে বৈ গৈছিল।

**ঔপনিৱেশিক আৰু স্থানীয় জ্ঞান ব্যৱস্থাৰ মাজত পাৰস্পৰিক সম্পৰ্ক ঃ**

ভাৰতত ঔপনিৱেশিক আৰু স্থানীয় জ্ঞান প্ৰণালীৰ মাজৰ পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়া এক জটিল গতিশীল প্ৰক্ৰিয়া - যি স্বকীয়কৰণ (appropriation), প্ৰান্তীয়কৰণ, প্ৰতিৰোধ আৰু সংমিশ্ৰণৰ দ্বাৰা সংগঠিত হৈছিল। যদিও ঔপনিৱেশিক ভৌগোলিক জ্ঞান থলুৱা দক্ষতা আৰু পৰম্পৰাসমূহৰ ওপৰত যথেষ্ট নিৰ্ভৰশীল আছিল, কিন্তু পশ্চিমীয়া জ্ঞানবিজ্ঞানৰ কৰ্তৃত্বক শক্তিশালী কৰিবলৈ এই অৱদানবোৰ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

পদ্ধতিগতভাৱে মচি পেলোৱা হৈছিল বা প্ৰাসংগিকতাবিহীন কৰি তোলা হৈছিল। একে সময়তে, থলুৱা সম্প্ৰদায়সমূহে তেওঁলোকৰ ওপৰত আৰোপ কৰা ঔপনিৱেশিক পৰিকাঠামোৰ সৈতে খাপ খাই আৰু প্ৰায়ে ইয়াৰ প্ৰতিৰোধ কৰি এক স্থিতিস্থাপকতা প্ৰদৰ্শন কৰিছিল। গৱেষণাপত্ৰখনৰ এই অংশত ভৌগোলিক জ্ঞানৰ পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়াবোৰৰ অন্বেষণ কৰি, ঔপনিৱেশিক ভূগোলে কেনেদৰে স্থানীয় জ্ঞান ব্যৱস্থাৰ ওপৰত প্ৰভাৱ পেলাইছিল তাৰ ওপৰত আলোকপাত কৰাৰ লগতে থলুৱা সম্প্ৰদায়সমূহে ঔপনিৱেশিক ব্যাঘাতৰ সৈতে কিদৰে মোকাবিলা কৰিছিল তাৰ ওপৰত আলোকপাত কৰা হ'ব।

**স্বকীয়কৰণ আৰু প্ৰান্তীয়কৰণ ঃ**

ঔপনিৱেশিক মানচিত্ৰ আৰু ভূগোলৰ বাগধাৰাত থলুৱা দক্ষতাক প্ৰায়ে গুৰুত্ব দিয়া নহৈছিল। এই প্ৰান্তীয়কৰণ ভৌগোলিক জ্ঞান উৎপাদনৰ অন্যান্য ক্ষেত্ৰলৈকো সম্প্ৰসাৰিত হৈছিল। উদাহৰণস্বৰূপে, জল ব্যৱস্থাপনাৰ পৰম্পৰাগত ভাৰতীয় ব্যৱস্থাসমূহ যেনে পুখুৰী, ষ্টেপৱেল আৰু জলসিঞ্চনৰ নলা নিৰ্মাণ ইত্যাদিক ঔপনিৱেশিক প্ৰশাসনিক পৰিকাঠামোত অন্তৰ্ভুক্ত কৰা হৈছিল। বিভিন্ন অঞ্চলৰ অনন্য পাৰিপাৰ্শ্বিক অৱস্থাসমূহত বহু শতিকা ধৰি বিকশিত হোৱা এই ব্যৱস্থাসমূহক পশ্চিমীয়া দৃষ্টিভংগীৰে পুনৰ ব্যাখ্যা কৰা হৈছিল আৰু এইসমূহৰ বিকাশৰ কৃতিত্ব দিয়া হৈছিল ব্ৰিটিছ অভিযন্তাসকলক (Apaydin, ২০১৮, পৃ. ২২)। ডেভিদ টাৰ্ণবুলে এই প্ৰক্ৰিয়াক থলুৱা চাতুৰ্য আৰু উদ্ভাৱনী শক্তিৰ ইচ্ছাকৃত বিলুপ্তিকৰণ বুলি আখ্যা দিয়ে। ঔপনিৱেশিক ভৌগোলিক জ্ঞান নিয়ন্ত্ৰণক তেওঁ এক "motley assemblage" আখ্যা দিছিল, যি নিজকে এক সুসংগত আৰু উৎকৃষ্ট বৈজ্ঞানিক প্ৰকল্প হিচাপে উপস্থাপন কৰাৰ ক্ষেত্ৰত বিভিন্ন স্থানীয় জ্ঞান পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰিছিল (Turnbull, ২০০০,পৃ. ৫৫)।

ঔপনিৱেশিক প্ৰশাসকসকলে স্থানীয় জ্ঞান পদ্ধতিসমূহক প্ৰায়ে আদিম বুলি নাকচ কৰিছিল আৰু একে সময়তে কিন্তু সেইবোৰৰ ব্যৱহাৰিক উপযোগিতাৰ সদ্ব্যৱহাৰ কৰিছিল। উদাহৰণস্বৰূপে, এক নিয়ন্ত্ৰিত বনাঞ্চল প্ৰশাসন ব্যৱস্থা সৃষ্টি কৰিবলৈ বন ব্যৱস্থাপনা আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ সৈতে জড়িত পৰম্পৰাগত পৰিৱেশগত জ্ঞানৰ ব্যৱহাৰ কৰা হৈছিল। কিন্তু এই পদ্ধতিবোৰক ঔপনিৱেশিক বিজ্ঞানৰ উদ্ভাৱন হিচাপে পুনৰ্গঠন কৰা হৈছিল, যিয়ে এই পদ্ধতিবোৰ বিকাশ কৰা আৰু ৰক্ষণাবেক্ষণ দিয়া থলুৱা সম্প্ৰদায়বোৰক অধিক প্ৰান্তীয় কৰি তুলিছিল (Okamoto and Ishikawa, ২০১৪,পৃ. ৪৪)।

এই স্বকীয়কৰণ আৰু স্থানীয় জ্ঞানৰ প্ৰান্তীয়কৰণ ভাষিক দিশৰ পৰাও পৰিলক্ষিত হয়। জাভেদ মাজিদে ভাৰতীয় ভাষিক জৰীপৰ ওপৰত কৰা এক বিশ্লেষণৰ ভিত্তিত কয় যে ঔপনিৱেশিক প্ৰশাসকসকলে প্ৰশাসনিক উদ্দেশ্য পূৰণ কৰিবলৈ স্থানীয় ভাষাসমূহ চিনাক্তকৰণ আৰু তালিকাভুক্ত কৰিছিল। কিন্তু এই প্ৰক্ৰিয়াত সেই ভাষাসমূহ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা স্থানীয় সম্প্ৰদায়সমূহৰ বাবে এই ভাষাসমূহৰ সাংস্কৃতিক আৰু জ্ঞানতাত্ত্বিক (epistemological) গুৰুত্বক উপেক্ষা কৰিছিল। অপ্ৰাসংগিকীকৰণ (decontextualisation)ৰ এই প্ৰক্ৰিয়াই থলুৱা ভাষিক আৰু ভৌগোলিক জ্ঞানক সাম্ৰাজ্যবাদী শাসনৰ এক সঁজুলিলৈ ৰূপান্তৰিত কৰিছিল, যাৰ ফলত শাসক আৰু শাসিতসকলৰ মাজত এক স্তৰীকৃত সম্পৰ্কৰ সৃষ্টি হৈছিল (Majeed, , ২০১১)।

**সহনশীলতা আৰু প্ৰতিৰোধ ঃ**

ভাৰতীয় জ্ঞান পদ্ধতিৰ প্ৰান্তীয়কৰণৰ সত্ত্বেও, সমগ্ৰ ভাৰতৰ থলুৱা সম্প্ৰদায়সমূহে ঔপনিৱেশিক


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

পৰিকাঠামোসমূহৰ সংৰক্ষণ, অভিযোজন আৰু প্ৰতিৰোধত উল্লেখযোগ্য স্থিতিস্থাপকতা প্ৰদৰ্শন কৰিছিল। ঔপনিৱেশিক নীতিসমূহৰ দ্বাৰা দমন বা পৰিৱৰ্তনৰ প্ৰচেষ্টাসমূহৰ পাছতো স্থানীয় প্ৰথা আৰু পৰম্পৰা ভাৰতত স্থানীয় ভৌগোলিক জ্ঞানৰ এক গুৰুত্বপূৰ্ণ উৎস হিচাপে অব্যাহত আছিল।

থলুৱা স্থানিক জ্ঞান সংৰক্ষণত মৌখিক পৰম্পৰা আৰু সাংস্কৃতিক পদ্ধতিসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। উদাহৰণস্বৰূপে, গংগা নদী বা পশ্চিম ঘাটৰ দৰে পবিত্ৰ ভূ-দৃশ্যৰ ঔপনিৱেশিক মানচিত্ৰকৰণক পৰম্পৰাগত ধৰ্মীয় ৰীতি-নীতি, মৌখিক ইতিহাস আৰু প্ৰতীকী প্ৰতিনিধিত্বৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছিল। এই পৰম্পৰাবোৰে এই ভূ-দৃশ্যবোৰক কেৱল ভৌতিক বা অৰ্থনৈতিক সম্পদ হিচাপে চিত্ৰিত কৰিবলৈ চেষ্টা কৰা ঔপনিৱেশিক মানচিত্ৰৰ হ্ৰাসবাদী (reductionist) যুক্তিক প্ৰতিহত কৰিছিল (Legg, ২০১১, পৃ. ২৯৩)। এই বিকল্প জ্ঞানতত্ত্ববোৰ অব্যাহত ৰাখি, থলুৱা সম্প্ৰদায়সমূহে ঔপনিৱেশিক প্ৰথাৰ দ্বাৰা আৰোপ কৰা পণ্যবাদ আৰু বস্তুনিষ্ঠতাক প্ৰত্যাহ্বান জনাই তেওঁলোকৰ পাৰিপাৰঞ্জিকতাৰ সাংস্কৃতিক আৰু আধ্যাত্মিক গুৰুত্বৰ ওপৰত অধিক আলোকপাত কৰিছিল।

পবিত্ৰ উপবনবোৰো ঔপনিৱেশিক পৰিৱেশগত নীতিৰ প্ৰতিৰোধৰ আন এক উদাহৰণ। এইসমূহ আছিল অৰণ্যৰ সৰু সৰু অংশ যিসমূহ মূলত ধৰ্মীয় উদ্দেশ্যত ব্যৱহৃত হৈছিল। যদিও ব্ৰিটিছ বনবিষয়াসকলে এই উপবনবোৰক সম্পদ আহৰণৰ ক্ষেত্ৰত এক বাধা হিচাপে গণ্য কৰিছিল, স্থানীয় সম্প্ৰদায়সমূহে সেইবোৰক আধ্যাত্মিক আৰু পাৰিপাৰ্শ্বিক গুৰুত্বৰ স্থান হিচাপে সুৰক্ষা প্ৰদান কৰিছিল। ফলত এই পবিত্ৰ উপবনবোৰ পাৰিপাৰ্শ্বিক স্থিতিস্থাপকতাৰ স্থান ৰূপে পৰিগণিত হৈছিল। জৈৱ বৈচিত্ৰ্যৰ অৰ্থনৈতিক শোষণ আৰু সেইবোৰক পুনৰ শ্ৰেণীবদ্ধ কৰাৰ ঔপনিৱেশিক প্ৰচেষ্টাৰ বিপৰীতে থলুৱা সাংস্কৃতিক পৰম্পৰাই এইবোৰৰ বহনক্ষম সংৰক্ষণত গুৰুত্ব আৰোপ কৰিছিল (Blue and Thrasher, ২০০৮, পৃ. ২৪)।

ৰবাৰ্ট টনকিনছনৰ দ্বাৰা কৰা অষ্ট্ৰেলিয়ান আদিবাসীসকলৰ ভূ-দৃশ্যৰ অধ্যয়নৰ দ্বাৰা ভাৰতৰ প্ৰসঙ্গত থলুৱা ভৌগোলিক প্ৰতিৰোধক অনুধাৱন কৰিব পৰা যায়। তেওঁ কয় যে ঔপনিৱেশিক ব্যাঘাতৰ পিছতো অষ্ট্ৰেলিয়ান আদিবাসীসকলৰ ভূমিৰ সৈতে আধ্যাত্মিক সম্পৰ্ক অব্যাহত আছিল, যিয়ে পৰিৱেশৰ সৈতে পাৰস্পৰিক সম্পৰ্ক স্থাপনৰ বাবে এক বৈকল্পিক পৰিকাঠামো প্ৰদান কৰিছিল। ব্ৰহ্মাণ্ডবিজ্ঞান আৰু সাংস্কৃতিক পৰম্পৰাত নিহিত এই সম্পৰ্কই ভূমিৰ ঔপনিৱেশিক গঠনক শোষণ কৰিব পৰা সামগ্ৰী হিচাপে গঢ়ি তোলাৰ যি এক প্ৰচেষ্টা, তাৰ এক প্ৰতি-বৰ্ণনা (counter-narrative) প্ৰদান কৰিছিল (Tonkinson, ২০১১, পৃ. ৩৩৩)। ভাৰতত, হিমালয়ত ছাদ খেতি (terrace cultivation)ৰ দৰে পৰম্পৰাগত কৃষি পদ্ধতিৰ অবিৰত ব্যৱহাৰত স্থিতিস্থাপকতাৰ একেধৰণৰ প্ৰতিফলন দেখা যায়, যিয়ে ঔপনিৱেশিক ভূমি-ব্যৱহাৰ নীতি আৰোপ কৰা সত্ত্বেও বৈকল্পিক ৰূপত পৰিৱেশগত ভাৰসাম্য আৰু স্থানীয় জ্ঞানৰ সংৰক্ষণ কৰিছিল (Ishikawa and Okamoto, ২০১৪, পৃ. ৪৪)।

**সংকৰণ (hybridization) আৰু অভিযোজন ঃ**

ঔপনিৱেশিক আৰু পৰম্পৰাগত জ্ঞান পদ্ধতিৰ মাজৰ পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়া কিন্তু সদায় বিৰোধিতাৰ ৰূপতে গঠিত হোৱা নাছিল। বহু ক্ষেত্ৰত, এই পদ্ধতিবোৰে জ্ঞানৰ এক সঙ্কৰ ৰূপ প্ৰস্তুত কৰিছিল যিয়ে দুয়োটা পৰম্পৰাৰ উপাদানসমূহক মিশ্ৰিত কৰিছিল। যদিও ঔপনিৱেশিক প্ৰশাসকসকলে


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

ভাৰতীয় জ্ঞান ব্যৱস্থাৰ ওপৰত প্ৰায়ে পশ্চিমীয়া পৰিকাঠামো আৰোপ কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু তেওঁলোকে ভাৰতৰ বৈচিত্ৰ্যময় সামাজিক আৰু ৰাজনৈতিক দৃশ্যপট নিয়ন্ত্ৰণ কৰিবলৈ স্থানীয় সম্প্ৰদায়সমূহৰ অন্তৰ্দৃষ্টি আৰু দক্ষতাৰ ওপৰতো নিৰ্ভৰ কৰিছিল।

এই সংমিশ্ৰণৰ এটা গুৰুত্বপূৰ্ণ উদাহৰণ ঔপনিৱেশিক কালত জলসিঞ্চন ব্যৱস্থাৰ বিকাশত দেখা পোৱা যায়। যদিও ব্ৰিটিছ অভিযন্তাসকলে নতুন প্ৰযুক্তি আৰু আন্তঃগাঁথনি প্ৰৱৰ্তন কৰিছিল (যেনে খাল আৰু বান্ধ), কিন্তু এই প্ৰকল্পবোৰে প্ৰায়ে আঞ্চলিক পৰিৱেশগত পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ পৰম্পৰাগত কৌশল আৰু স্থানীয় জ্ঞানৰ সহায় লৈছিল। উদাহৰণস্বৰূপে, কেৰালাৰ পেৰিয়াৰ বান্ধৰ নিৰ্মাণত ব্ৰিটিছ অভিযান্ত্ৰিক নীতিৰ সৈতে জল ব্যৱস্থাপনাৰ থলুৱা পদ্ধতিসমূহ একত্ৰিত কৰা হৈছিল, যাৰ ফলত ঔপনিৱেশিক আৰু স্থানীয় দুয়োটা প্ৰভাৱ প্ৰতিফলিত কৰা এক ব্যৱস্থাৰ সৃষ্টি হৈছিল। টাৰ্ণবুলে এই প্ৰক্ৰিয়াক জ্ঞান পদ্ধতিসমূহৰ দ্বাৰা সৃষ্ট এক “patchwork quilt” বুলি আখ্যা দিছে, য'ত থলুৱা অৱদানক বৈজ্ঞানিক প্ৰগতিৰ ঔপনিৱেশিক বাগধাৰাৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছিল (Turnbull, ২০০০,পৃ. ৫৮)।

ভাষাগত আৰু সাংস্কৃতিক ক্ষেত্ৰতো এই সংমিশ্ৰণ স্পষ্ট আছিল। উদাহৰণস্বৰূপে, বাংলা বা তামিলৰ দৰে আঞ্চলিক ভাষাসমূহৰ ঔপনিৱেশিক সংহিতাকৰণ (codification)ত প্ৰায়ে স্থানীয় পণ্ডিত আৰু ভাষাতত্ত্ববিদসকলৰ সৈতে সহযোগিতা অপৰিহাৰ্য আছিল। যদিও এই প্ৰচেষ্টাৰ মূল লক্ষ্য আছিল ঔপনিৱেশিক শাসনক অধিক সুবিধা প্ৰদান কৰা, এই প্ৰচেষ্টাই বহু ক্ষেত্ৰত এই ভাষাবোৰৰ সংৰক্ষণ আৰু প্ৰমাণীকৰণতো অৰিহণা যোগাইছিল, যাৰ ফলত পিছলৈ ঔপনিৱেশিকতা বিৰোধী আৰু জাতীয়তাবাদী আন্দোলনত ইয়াৰ ব্যৱহাৰ সম্ভৱ হৈছিল।

**স্থানীয় জ্ঞান পুনৰুদ্ধাৰৰ ক্ষেত্ৰত প্ৰত্যাহ্বান ঃ**

থলুৱা জ্ঞান প্ৰণালীৰ সৈতে ঔপনিৱেশিক পাৰস্পৰিক সম্পৰ্কৰ ফলত ঔপনিৱেশিক যুগত যি এক ভৌগোলিক জ্ঞানৰ সৃষ্টি হৈছিল, ইয়াৰ প্ৰভাৱত পৰম্পৰাগত জ্ঞানৰ অৱউপনিৱেশিকীকৰণ আৰু পুনৰুদ্ধাৰৰ ক্ষেত্ৰত বহুতো প্ৰত্যাহ্বানৰ সৃষ্টি হয়। ঔপনিৱেশিক যুগত বহুতো স্থানীয় পৰম্পৰা আৰু জ্ঞানতত্ত্ব অপৰিৱৰ্তনযোগ্যভাৱে সলনি হৈছিল বা হেৰাই গৈছিল। আন বহু পৰম্পৰা উত্তৰ-ঔপনিৱেশিক আধুনিকীকৰণ আৰু গোলকীকৰণৰ ফলত ৰূপান্তৰিত হৈছিল। এই পৰম্পৰাবোৰৰ পুনৰুদ্ধাৰৰ বাবে কেৱল আৰ্কাইভেল গৱেষণাৰে প্ৰয়োজন নহয়, বৰঞ্চ প্ৰান্তীয় বা পাহৰি যোৱা প্ৰথাবোৰ নথিভুক্তকৰণ আৰু পুনৰুজ্জীৱিত কৰিবলৈ স্থানীয় সম্প্ৰদায়সমূহৰ সৈতে সহযোগিতাৰো প্ৰয়োজন।

এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হ'ল থলুৱা জ্ঞানৰ অপ্ৰসং অপ্ৰাসংগিকীকৰণ। মাজিদে আলোকপাত কৰাৰ দৰে, ঔপনিৱেশিক প্ৰশাসকসকলৰ দ্বাৰা স্থানীয় ভাষা আৰু প্ৰথাৰ তালিকাভুক্তিয়ে প্ৰায়ে সেইবোৰৰ সাংস্কৃতিক গুৰুত্বক নস্যাৎ কৰিছিল আৰু সেইবোৰক ঔপনিৱেশিক স্বাৰ্থ পূৰণ কৰা বিমূৰ্ত তথ্য বিন্দুলৈ ৰূপান্তৰিত কৰিছিল (Majeed, , ২০১১,পৃ. ২৮)। সেয়েহে এই পৰম্পৰাৰ পুনৰুদ্ধাৰৰ প্ৰচেষ্টাবোৰে যি সাংস্কৃতিক আৰু পাৰিপাৰ্শ্বিক প্ৰসংগৰ পৰা পৰম্পৰাসমূহৰ উদ্ভৱ হৈছিল তাৰ পুনৰ একত্ৰীকৰণক অগ্ৰাধিকাৰ দিব লাগিব।

আন এক প্ৰত্যাহ্বান হৈছে থলুৱা জ্ঞানৰ বাণিজ্যিকীকৰণ। আয়ুৰ্বেদ বা পাৰ্মাকালচাৰৰ দৰে


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

পৰম্পৰাগত পদ্ধতিসমূহৰ প্ৰতি বিশ্বব্যাপী আগ্ৰহ বৃদ্ধি পোৱাৰ লগে লগে, এই আশংকা বৃদ্ধি পাইছে যে এইসমূহৰ বাণিজ্যিকীকৰণৰ প্ৰচেষ্টাসমূহৰ গাঁথনিসমূহৰ ঔপনিৱেশিক অৰ্থনৈতিক শোষণৰ গাঁথনিৰ সৈতে একে ৰূপত উত্থাপিত হ'ব। অৰ্থপূৰ্ণ অৱউপনিৱেশিকীকৰণৰ বাবে স্থানীয় সম্প্ৰদায় সমূহে তেওঁলোকৰ পৰম্পৰাগত জ্ঞানৰ ওপৰত নিয়ন্ত্ৰণ বজাই ৰখা আৰু ইয়াৰ ব্যৱহাৰিক প্ৰয়োগৰ পৰা লাভান্বিত হোৱাটো নিশ্চিত কৰাটো অত্যাৱশ্যকীয়।

**ভৌগোলিক জ্ঞানৰ অৱউপনিৱেশিকীকৰণ ঃ**

ভৌগোলিক জ্ঞানক ঔপনিৱেশিকীকৰণৰ পৰা মুক্ত কৰাৰ প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজন পৰম্পৰাগত জ্ঞানৰ উৎপাদন, এই জ্ঞানৰ সফল প্ৰতিনিধিত্ব আৰু ইয়াৰ প্ৰচাৰত এতিয়াও নিহিত ঔপনিৱেশিকতাৰ ঐতিহ্যসমূহ আঁতৰাই তোলা। ই কেৱল এক বিদ্যায়তনিক প্ৰচেষ্টা হ'লেই নহ'ব, লগতে ই হ'ব লাগিব ঐতিহাসিক অন্যায়ৰ সংশোধন কৰিবলৈ, প্ৰান্তীয় সম্প্ৰদায়সমূহক শক্তিশালী কৰিবলৈ আৰু ভূগোলৰ বোধগম্যতাৰ প্ৰসঙ্গত ন্যায়সংগত পৰিকাঠামোৰ প্ৰচাৰ কৰিবলৈ চেষ্টা কৰা এক সামাজিক-ৰাজনৈতিক আন্দোলন। অৱউপনিৱেশিকীকৰণ বাবে ঔপনিৱেশিক জ্ঞানৰ সমালোচনামূলক পুনৰ মূল্যায়ন, থলুৱা জ্ঞান ব্যৱস্থাৰ পুনৰুদ্ধাৰ আৰু সমসাময়িক ভৌগোলিক কথোপকথনসমূহত বৈকল্পিক জ্ঞানতত্ত্বৰ অন্তৰ্ভুক্তি অতি প্ৰয়োজন।

ঔপনিৱেশিক জ্ঞানৰ পৰিকাঠামোবোৰ বহুক্ষেত্ৰত আধুনিক ভৌগোলিক অধ্যয়ন, শৈক্ষিক পাঠ্যক্ৰম আৰু নীতি-নিৰ্ধাৰণ প্ৰক্ৰিয়াত এতিয়াও নিহিত হৈ আছে। ভৌগোলিক জ্ঞানক অৱউপনিৱেশিকীকৰণ কৰাৰ বাবে এক বহুমুখী দৃষ্টিভংগীৰ প্ৰয়োজন, য'ত অন্তৰ্ভুক্ত হ'ব থলুৱা ভৌগোলিক বৰ্ণনাৰ পুনৰ্গঠন, শিক্ষা ব্যৱস্থাৰ সংস্কাৰ, অংশগ্ৰহণমূলক (participatory) মানচিত্ৰ নিৰ্মাণ প্ৰক্ৰিয়া, আইনী আৰু নীতিগত সংস্কাৰ, আৰু পশ্চিমীয়া জ্ঞানতত্ত্বৰ আধিপত্যক প্ৰত্যাহ্বান জনোৱাৰ বাবে এক বিশ্বব্যাপী প্ৰচেষ্টা।

**পৰম্পৰাগত ভৌগোলিক বৰ্ণনাৰ পুনৰ্গঠন ঃ**

ভৌগোলিক জ্ঞানক ঔপনিৱেশিকীকৰণৰ পৰা মুক্ত কৰাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপবোৰৰ ভিতৰত এটা হ'ল থলুৱা ভৌগোলিক বৰ্ণনাসমূহৰ পুনৰ্গঠন আৰু প্ৰসাৰণ। ব্ৰিটিছ শাসনৰ সময়ত, মানচিত্ৰবিদ্যা আৰু ভূগোলৰ ক্ষেত্ৰত থলুৱা অৱদান পদ্ধতিগতভাৱে মচি পেলোৱা হৈছিল। কেৱল ভাৰততে নহয়, আফ্ৰিকা আৰু অন্যান্য অ-পশ্চিমীয়া ঔপনিৱেশিক সমাজসমূহৰ অগ্ৰগতিবোৰক ঔপনিৱেশিক জ্ঞানে প্ৰায়ে এক বিতৰণবাদী (diffusionist) বাগধাৰাৰ সহায়ত ব্যুৎপত্তিগত (derivative) বা আখ্যানকেন্দ্ৰিক (anecdotal) হিচাপে নাকচ কৰিছিল (Emeagwali and Shizha, ২০১৬,পৃ. ৬)।

এই বিৱৰণবোৰ পুনৰ্গঠন কৰাৰ বাবে আৰু ভৌগোলিক জ্ঞানত থলুৱা সম্প্ৰদায়সমূহৰ লুকাই থকা অৱদানসমূহ উন্মোচন কৰিবলৈ ঔপনিৱেশিক আৰ্কাইভসমূহ পুনৰীক্ষণ কৰাৰ প্ৰয়োজন। ঔপনিৱেশিক শাসনৰ সময়ত মচি পেলোৱা ভূ-দৃশ্যৰ সাংস্কৃতিক আৰু ঐতিহাসিক গুৰুত্ব চিনাক্ত কৰিবলৈ ভৌগোলিক স্থানৰ থলুৱা নামসমূহ পুনৰুদ্ধাৰ কৰা আৰু ঔপনিৱেশিক মানচিত্ৰ আৰু ভৌগোলিক দস্তাবেজসমূহৰ পুনৰ ব্যাখ্যা কৰাৰ গুৰুত্ব আছে (Apaydin, ২০১৮, পৃ. ২২)। উদাহৰণস্বৰূপে, ভাৰতৰ বহুতো নদী, পৰ্বত আৰু চহৰৰ নাম ব্ৰিটিছসকলে পুনৰ নামকৰণ কৰিছিল, বা প্ৰায়ে এইসমূহৰ প্ৰকৃত নামবোৰ বিকৃত কৰিছিল

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

বা ইংৰাজীকৰণ কৰিছিল। এই নামসমূহৰ পুনৰুদ্ধাৰৰ প্ৰচেষ্টাই স্থানীয় ইতিহাস আৰু পৰিচয়ৰ গুৰুত্ব সুনিশ্চিত কৰি সাংস্কৃতিক পুনৰুদ্ধাৰৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হৈ পৰিব। সমগ্ৰ বিশ্বব্যাপী বৰ্তমান থলুৱা ভৌগোলিক বৰ্ণনাৰ পুনৰ্গঠনৰ এক প্ৰক্ৰিয়া আৰম্ভ হৈছে। ভাৰতত, থলুৱা ভৌগোলিক জ্ঞানৰ দৃশ্যমানতা আৰু বৈধতাৰ পুনৰুদ্ধাৰ কৰিবলৈ একেধৰণৰ পদক্ষেপবোৰে পবিত্ৰ দৃশ্যপট, পৰম্পৰাগত কৃষি পদ্ধতি, আৰু মৌখিক ইতিহাসৰ ওপৰত গুৰুত্ব আৰোপ কৰিব পাৰে।

**শক্ষা আৰু শিক্ষাৰ সংস্কাৰ ঃ**

ভৌগোলিক জ্ঞানক ঔপনিৱেশিকীকৰণৰ পৰা মুক্ত কৰাৰ বাবে শৈক্ষিক সংস্কাৰ অতি গুৰুত্বপূৰ্ণ, কিয়নো প্ৰচলিত পাঠ্যক্ৰমসমূহে প্ৰায়ে ইউৰো-কেন্দ্ৰিক বৰ্ণনাসমূহৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে আৰু অ-পশ্চিমীয়া অৱদানসমূহক প্ৰান্তীয় অৱস্থানত ৰাখে। দক্ষিণ এছিয়াৰ উত্তৰ-ঔপনিৱেশিক যুগৰ শিক্ষা ব্যৱস্থাত ভূগোলৰ শিক্ষা আৰু পাঠ্যক্ৰম প্ৰায়ে পশ্চিমীয়া আৰু বহু ক্ষেত্ৰত ঔপনিৱেশিক দৃষ্টিভংগীৰ দ্বাৰা পৰিচালিত (Ramani, ২০১১, পৃ. ১৮)। এই পাঠ্যক্ৰমসমূহৰ সংস্কাৰৰ বাবে পৰম্পৰাগত স্থানীয় জ্ঞান, বিভিন্ন স্থানীয় অনুশীলনসমূহ আৰু দৃষ্টিভংগীসমূহৰ পাঠ্যক্ৰমৰ সৈতে একত্ৰীকৰণৰ প্ৰয়োজন আছে।

উদাহৰণস্বৰূপে, ভূগোলৰ পাঠ্যক্ৰমত বহনক্ষম জল ব্যৱস্থাপনাৰ পৰম্পৰাগত প্ৰথাসমূহৰ ওপৰত আলোকপাত কৰিব পৰা যায়, যেনে ৰাজস্থানৰ ষ্টেপৱেল আৰু জোহাদ, যি ঔপনিৱেশিক হস্তক্ষেপৰ আগৰ সময়ছোৱাৰ ভাৰতৰ উন্নত অভিযান্ত্ৰিক সাফল্যৰ উদাহৰণ। একেদৰে, মানচিত্ৰবিদ্যাৰ আলোচনাত জিটিএছলৈ ভাৰতীয় পণ্ডিত আৰু জৰীপকাৰসকলৰ অৱদান অন্তৰ্ভুক্ত কৰিব পৰা যায়, যিয়ে ব্ৰিটিছ বৈজ্ঞানিক শ্ৰেষ্ঠতাৰ বৰ্ণনাক প্ৰত্যাহ্বান জনায়।

গিলিয়ান ৰ'জে ভৌগোলিক জ্ঞানৰ উৎপাদনৰ কথা আলোচনা কৰোঁতে লিংগ, জাতি আৰু শ্ৰেণীৰ মাজৰ এক আন্তঃসংযোগমূলক (intersectional) দৃষ্টিভংগীৰ পৰা ইয়াৰ পৰ্যালোচনা কৰাৰ পোষকতা কৰে (Rose, ১৯৯৩, পৃ. ৮৩)। ঔপনিৱেশিকীকৰণৰ পৰা মুক্ত পাঠ্যক্ৰমত মহিলা, থলুৱা লোক আৰু অন্যান্য প্ৰান্তীয় গোটসমূহৰ অৱদানক অগ্ৰাধিকাৰ দিয়া বৈকল্পিক ইতিহাসৰ উপস্থাপন কৰি ভৌগোলিক অন্বেষণ আৰু মানচিত্ৰকলাৰ ঔপনিৱেশিক আৰু পুৰুষকেন্দ্ৰিক বাগধাৰাসমূহক প্ৰত্যাহ্বান জনোৱা উচিত।

আনুষ্ঠানিক শিক্ষাৰ বাহিৰেও সংগ্ৰহালয়, প্ৰদৰ্শনী আৰু ডিজিটেল আৰ্কাইভৰ দৰে ৰাজহুৱা ইতিহাসৰ প্ৰকল্প সমূহে অৱউপনিৱেশিকীকৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। গুজৰাটৰ আদিবাসী একাডেমীৰ দৰে ৰাইজৰ দ্বাৰা পৰিচালিত প্ৰকল্পসমূহে মৌখিক ইতিহাস, শিল্পকলা আৰু অংশগ্ৰহণমূলক কাহিনীৰ জৰিয়তে থলুৱা জ্ঞানৰ সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে মঞ্চ প্ৰদান কৰিছে। এই পদক্ষেপসমূহে ভৌগোলিক জ্ঞানৰ প্ৰতিনিধিত্বত স্থানীয় কণ্ঠস্বৰ শুনিবলৈ পোৱাটো আৰু ইয়াৰ সঠিক মূল্যায়ন হোৱাটো নিশ্চিত কৰে।

**অংশগ্ৰহণমূলক মানচিত্ৰৰ প্ৰকল্প ঃ**

অংশগ্ৰহণমূলক মানচিত্ৰ নিৰ্মাণ হৈছে ভৌগোলিক জ্ঞানক ঔপনিৱেশিকীকৰণৰ পৰা মুক্ত কৰাৰ এক শক্তিশালী সঁজুলি, কিয়নো ই ৰাইজক তেওঁলোকৰ স্থানিক বৰ্ণনাৰ ওপৰত নিজৰ কৰ্তৃত্ব পুনৰ প্ৰতিষ্ঠা কৰাৰ সুযোগ দিয়ে। ঔপনিৱেশিক মানচিত্ৰকলাই স্থানীয় ভূ-দৃশ্যৰ ওপৰত বাহ্যিক পৰিকাঠামো আৰোপ


Published by IQAC, Bahona College

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

কৰিছিল। আনহাতে অংশগ্ৰহণকাৰী মানচিত্ৰকলাই প্ৰান্তীয় গোটসমূহৰ কণ্ঠস্বৰ আৰু দৃষ্টিভংগী নিজৰ ভিতৰত সন্নিৱিষ্ট কৰে।

জাপানত এই অংশগ্ৰহণমূলক মানচিত্ৰ নিৰ্মাণৰ প্ৰকল্প যথেষ্ট সফল হৈছে। স্থানীয় লোকসকলে পৰম্পৰাগত পাৰিপাৰ্শ্বিক জ্ঞান নথিভুক্তকৰণ কৰিবলৈ আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰিবলৈ গৱেষকসকলৰ সৈতে সহযোগিতা কৰিছে (Ishikawa and Okamoto, ২০১৪, পৃ. ৯১)। ভাৰতত, অংশগ্ৰহণমূলক মানচিত্ৰ নিৰ্মাণ প্ৰক্ৰিয়াই পবিত্ৰ ভূ-দৃশ্য, পৰম্পৰাগত কৃষি আৰু জল ব্যৱস্থাপনা, আৰু ৰাজহুৱা জৈৱ বৈচিত্ৰ্য সংৰক্ষণ প্ৰচেষ্টাৰ নথিভুক্তকৰণত গুৰুত্ব দিব পাৰে। উদাহৰণস্বৰূপে, পশ্চিম ঘাটৰ পৱিত্ৰ উপবনসমূহ বা হিমালয়ৰ ছাদ কৃষিৰ মানচিত্ৰকৰণে স্থানীয় লোকসকলৰ সশক্তিকৰণৰ লগতে এই সাংস্কৃতিক আৰু পৰিৱেশগতভাৱে গুৰুত্বপূৰ্ণ স্থানসমূহ সংৰক্ষণ কৰাত সহায় কৰিব পাৰে।

SITAR (Spatial Information Technology for Archaeological Research)ৰ দৰে ডিজিটেল প্লেটফৰ্মে পৰম্পৰাগত আৰু ডিজিটেল মেপিং পদ্ধতি একত্ৰিত কৰাৰ বাবে বহু উদ্ভাৱনীমূলক সঁজুলি প্ৰদান কৰে। এই মঞ্চসমূহে থলুৱা লোকসকলক তেওঁলোকৰ স্থানিক জ্ঞানক সুলভ, ভাগ-বতৰা কৰিব পৰা আৰু অপব্যৱহাৰৰ পৰা সুৰক্ষিত ৰূপত সংৰক্ষিত কৰাত সহায় কৰে। প্ৰযুক্তিৰ ব্যৱহাৰ কৰি, অংশগ্ৰহণমূলক মানচিত্ৰ নিৰ্মাণৰ পৰম্পৰাগত জ্ঞান পদ্ধতি আৰু সমসাময়িক ভৌগোলিক অনুশীলনসমূহৰ মাজৰ ব্যৱধান দূৰ কৰিব পাৰে (Apaydin, ২০১৮)।

ভূমি ব্যৱস্থাপনা, সম্পদ সংৰক্ষণ আৰু জলবায়ু অভিযোজনৰ ক্ষেত্ৰতো অংশগ্ৰহণকাৰী মানচিত্ৰ নিৰ্মাণৰ ব্যৱহাৰিক প্ৰয়োগ আছে। উদাহৰণস্বৰূপে, ঋতু পৰিৱৰ্তন, জৈৱ বৈচিত্ৰ্য, আৰু পানী ব্যৱস্থাপনাৰ থলুৱা জ্ঞানে অধিক বহনক্ষম আৰু ন্যায়সংগত চৰকাৰী নীতি আৰু অনুশীলনৰ দিশত আমাক আগুৱাই লৈ যাব পাৰে। এই প্ৰক্ৰিয়াবোৰত স্থানীয় লোকসকলক জড়িত কৰাটোৱে নিশ্চিত কৰিব যে তেওঁলোকৰ জ্ঞানৰ কেৱল সংৰক্ষণ কৰাই নহয়, বৰঞ্চ বিভিন্ন সিদ্ধান্ত গ্ৰহণতো সক্ৰিয়ভাৱে ইয়াৰ ব্যৱহাৰ কৰা হয়।

**বিশ্বজনীন ভৌগোলিক বৰ্ণনাসমূহৰ অৱউপনিৱেশিকীকৰণ ঃ**

ঔপনিৱেশিকীকৰণৰ জৰিয়তে ভৌগোলিক জ্ঞানৰ ক্ষেত্ৰত পশ্চিমীয়া জ্ঞানতত্ত্বৰ বিশ্বব্যাপী আধিপত্যক প্ৰত্যাহ্বান জনোৱাৰ গুৰুত্ব বৰ্তমান সৰ্বাধিক। 'বৈজ্ঞানিক ঔপনিৱেশিকতা'ৰ দৃঢ়তাৰ বাবে পশ্চিমীয়া পৰিকাঠামোৱে বিজ্ঞান আৰু জ্ঞান উৎপাদনৰ ওপৰত বিশ্বব্যাপী বাগধাৰাসমূহৰ ওপৰত আধিপত্য অব্যাহত ৰাখিছে (Whitt, ২০০৯, পৃ. ৪২)। এই আধিপত্যক প্ৰত্যাহ্বান জনাবলৈ, আন্তৰাষ্ট্ৰীয় আৰু আন্তঃসাংস্কৃতিক সহযোগিতাৰ প্ৰয়োজন আছে। উত্তৰ-ঔপনিৱেশিক ৰাষ্ট্ৰসমূহৰ থলুৱা লোকৰ নেতৃত্বত হোৱা গৱেষণাকেন্দ্ৰিক পদক্ষেপসমূহে ইয়াত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

বিদ্যায়তনিক গ্ৰন্থ আৰু গৱেষণাৰ প্ৰকাশন হৈছে আন এক ক্ষেত্ৰ য'ত উপনিৱেশবাদৰ অৱসান অতি প্ৰয়োজনীয়। ভাষা, বিত্তীয় আৰু প্ৰতিষ্ঠানিক সীমাবদ্ধতাৰ বাবে বহুতো গৱেষকে আন্তঃৰাষ্ট্ৰীয় আলোচনীসমূহত প্ৰৱেশাধিকাৰ আৰু অৱদান আগবঢ়োৱাত বাধাৰ সন্মুখীন হয়। মুক্ত প্ৰৱেশাধিকাৰ (open access) প্ৰকাশনক উৎসাহিত কৰা, অনুবাদৰ পৃষ্ঠপোষকতা কৰা আৰু থলুৱা লোক নেতৃত্বাধীন গৱেষণাৰ বাবে পুঁজিৰ যোগানৰ জৰিয়তে ভৌগোলিক জ্ঞানৰ উৎপাদন আৰু প্ৰচাৰক অৱউপনিৱেশিকীকৰণ কৰা

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

আৰু অধিক গণতান্ত্ৰিক কৰাৰ দিশলৈ লৈ যাব পাৰি।

**অৰউপনিৰেশিকীকৰণ ৰূপায়ণৰ বাবে ব্যৱহাৰিক কৌশল ঃ**

অৰউপনিৰেশিকীকৰণ বাবে এক দৃঢ় কাৰ্যকৰী কৌশলৰ প্ৰয়োজন যি ভৌগোলিক জ্ঞান উৎপাদনৰ গাঁথনিগত আৰু সাংস্কৃতিক দুয়োটা মাত্ৰাতে প্ৰভাৱ বিস্তাৰ কৰিব পাৰিব। এনে কিছু পদক্ষেপ হ'ব পাৰে ঃ

১. সামূহিক সবলীকৰণঃ স্থানীয় সাংগঠনিক ভেটি সুদৃঢ় কৰি স্থাপন কৰা ভূমি ব্যৱহাৰ আৰু জৈৱ সংৰক্ষণ নীতিত স্থানীয় লোকৰ অগ্ৰাধিকাৰৰ বাবে এক মঞ্চ সৃষ্টি কৰাৰ প্ৰয়োজন আছে।

২. সামৰ্থ্য বৃদ্ধি ঃ ডিজিটেল মেপিং প্ৰযুক্তি, অংশগ্ৰহণমূলক গৱেষণা পদ্ধতি আৰু ঐতিহ্যৰ নথিভুক্তকৰণত থলুৱা লোকৰ অংশগ্ৰহণ সুনিশ্চিত কৰা।

৩. নিৰীক্ষণ আৰু মূল্যায়ন ঃ ঔপনিৰেশিকীকৰণৰ ভৌগোলিক প্ৰভাৱ মূল্যায়ন কৰাৰ বাবে এক এনে পদ্ধতি বিকশিত কৰা, যিসমূহে প্ৰান্তীয় সম্প্ৰদায়সমূহক লাভান্বিত কৰে আৰু দীৰ্ঘম্যাদী বহনক্ষমতা বৃদ্ধি কৰে।

৪. থলুৱা নেতৃত্বৰ সৈতে সহযোগিতা ঃ অৰউপনিৰেশিকীকৰণৰ প্ৰচেষ্টাৰ দিশ আৰু পৰিসৰৰ প্ৰসাৰ ঘটাবলৈ থলুৱা নেতাসকলক জ্ঞান সৃষ্টি প্ৰক্ৰিয়াত সহ-সৃষ্টিকৰ্তা হিচাপে জড়িত কৰা।

**প্ৰত্যাহ্বান আৰু ভৱিষ্যতৰ দিশসমূহ ঃ**

ভৌগোলিক জ্ঞানক উপনিবেশবাদমুক্ত কৰাৰ প্ৰক্ৰিয়াটো প্ৰত্যাহ্বানেৰে পৰিপূৰ্ণ, যাৰ ভিতৰত আছে দৃঢ় প্ৰতিষ্ঠানিক গাঁথনিৰ প্ৰতিৰোধ, বিভিন্ন জ্ঞানতত্ত্বৰ সমন্বয় সাধনৰ অসুবিধা, আৰু tokenismৰ শংকা। অৱশ্যে, এই প্ৰত্যাহ্বানসমূহে নতুন উদ্ভাৱন, আলোচনা আৰু সহযোগিতাৰ দিশতো বহু সুযোগ প্ৰদান কৰে। থলুৱা কণ্ঠস্বৰ আৰু দৃষ্টিকোণক গুৰুত্বপূৰ্ণ ভূমিকা প্ৰদান কৰা এক অন্তৰ্ভুক্তিমূলক দৃষ্টিভংগী গঢ়ি তোলাৰ জৰিয়তে, উপনিৰেশবাদৰ বিৰুদ্ধে এক অধিক ন্যায়সংগত আৰু বহনক্ষম ভৱিষ্যতৰ পথ প্ৰশস্ত কৰিব পৰা যায়।

**সামৰণি ঃ**

ভাৰতত ঔপনিৰেশিক ভৌগোলিক জ্ঞানে সাম্ৰাজ্যবাদী উদ্দেশ্যসমূহ পূৰণ কৰিবলৈ ভাৰতৰ দৃশ্যপটৰ পুনৰ কল্পনা কৰিছিল, আৰু ইয়াৰ ভূখণ্ডক নিয়ন্ত্ৰণযোগ্য আৰু সম্পদ আহৰণযোগ্য অঞ্চললৈ হ্ৰাস কৰিছিল। এই ভৌগোলিক অনুশীলনবোৰে, গভীৰভাৱে আদৰ্শগতভাৱে, থলুৱা কৰ্তৃত্ব মচি পেলাইছিল আৰু জ্ঞানৰ উৎপাদনত পশ্চিমীয়া আধিপত্যক সুনিশ্চিত কৰিছিল।

তথাপিও, ঔপনিৰেশিক প্ৰচেষ্টা প্ৰতিদ্বন্দ্বিতাবিহীন বা নিখুঁত নাছিল। উপনিৰেশসমূহৰ লোকসকলৰ মৌখিক ইতিহাস, ৰীতি-নীতি আৰু সাংস্কৃতিক অনুশীলন অব্যাহত ৰখাৰ জৰিয়তে তেওঁলোকৰ স্থানিক পৰম্পৰা সংৰক্ষণ আৰু অভিযোজিত কৰিছিল, যি প্ৰায়ে ঔপনিৰেশিক পৰিকাঠামোৰ বাবে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। এই মুহূৰ্তবোৰে ঔপনিৰেশিক নিপীড়ন আৰু প্ৰতিৰোধৰ মাজত গতিশীল আন্তঃক্ৰিয়াৰ জৰিয়তে ঔপনিৰেশিক আধিপত্যৰ বৰ্ণনাক প্ৰত্যাহ্বান জনায়।

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

ভৌগোলিক জ্ঞানক উপনিৱেশবাদমুক্ত কৰাটো বৰ্তমান এক নৈতিক দায়িত্ব আৰু এক ব্যৱহাৰিক আৱশ্যকতা। ঐতিহাসিক অন্যায়ৰ মোকাবিলা কৰাৰ বাবে জ্ঞানতত্ত্বত থলুৱা অৱদানৰ পুনৰ প্ৰতিষ্ঠা আৰু পাশ্চাত্য কেন্দ্ৰিক পৰিকাঠামোক প্ৰত্যাহ্বান জনোৱাটো অত্যাৱশ্যকীয়। উত্তৰ-ঔপনিৱেশিক ৰাষ্ট্ৰসমূহত ঔপনিৱেশিক ভৌগোলিক পৰিকাঠামোৱে শাসন, উন্নয়ন আৰু শিক্ষা ব্যৱস্থাৰ ওপৰত নিজৰ আধিপত্য অব্যাহত ৰাখিছে, যাৰ ফলত উপনিৱেশবাদৰ ফলতে সৃষ্টি হোৱা এক ধৰণৰ সামাজিক স্তৰিকৰণ অব্যাহত আছে।

থলুৱা পৰিৱেশগত আৰু সাংস্কৃতিক প্ৰসংগৰ সৈতে গভীৰভাৱে জড়িত থলুৱা জ্ঞান পদ্ধতিসমূহে বহনক্ষমতা, জলবায়ুৰ স্থিতিস্থাপকতা, আৰু সামাজিক সমতাৰ ক্ষেত্ৰত বহু গুৰুত্বপূৰ্ণ অন্তৰ্দৃষ্টি প্ৰদান কৰে। এই ব্যৱস্থাসমূহক সমসাময়িক পৰিকাঠামোত একত্ৰিত কৰি ভাৰতে এনে এক ভৌগোলিক জ্ঞানৰ দিশে আগবাঢ়িব পাৰে যি কেৱল অধিক অন্তৰ্ভুক্তিমূলক আৰু ন্যায়সংগতেই নহয় বৰঞ্চ বৰ্তমান আৰু ভৱিষ্যতৰ জটিল প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰিবলৈ অধিক সুসজ্জিত। ভৌগোলিক জ্ঞানক ইয়াত অন্তৰ্ভুক্ত ঔপনিৱেশিক প্ৰভাৱ আৰু আধিপত্যসমূহৰ পৰা মুক্ত কৰি, আমি গণতন্ত্ৰ, বৈচিত্ৰ্য, সমতা আৰু সহযোগিতাৰ বাবে এক স্থান সৃষ্টি কৰিব পাৰো।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) Alexander, Isabella (2023). Copyright and Cartography, History, Law, and the Circulation of Geographical Knowledge. Oxford, UK, Hart Publishing, Bloomsbury Publishing Plc.

২) Apaydin, Veysel, (2018). Shared Knowledge, Shared Power, Engaging Local and Indigenous Heritage. Cham, Switzerland, Springer.

৩) Blue Spruce, Duane, and Tanya Thrasher (2008). The Land Has Memory, Indigenous Knowledge, Native Landscapes, and the National Museum of the American Indian. Chapel Hill, University of North Carolina Press.

৪) Driver, Felix. (2001). Geography Militant, Cultures of Exploration and Empire. Oxford, Blackwell Publishers.

৫) Edney, Matthew H. (1997). Mapping an Empire, The Geographical Construction of British India, 1765–1843. Chicago : University of Chicago Press.

৬) Emeagwali, Gloria, and Edward Shizha (2016). African Indigenous Knowledge and the Sciences, Journeys into the Past and Present. Rotterdam, Sense Publishers.

৭) Ishikawa, Yoshitaka, and Kohei Okamoto (2014). Traditional Wisdom and Modern Knowledge for the Earth's Future, Lessons from the Asia-Pacific Region. Tokyo, Springer.

ISSN : 3048-6394
Vol.: 02, Issue: 01; July, 2024

৮) Legg, Stephen (2011). "Violent Memories, South Asian Spaces of Postcolonial Anamnesis." In Cultural Memories, The Geographical Point of View, edited by Peter Meusburger, Michael Heffernan, and Edgar Wunder, 293–308. Springer.

৯) Majeed, Javed (2011). "Grierson's Linguistic Survey of India, Language, History, and the Vernacular." In Knowledge Production, Pedagogy, and Institutions in Colonial India, edited by Indra Sengupta and Daud Ali, 25–40. New York : Palgrave Macmillan.

১০) Okamoto, Kohei, and Yoshitaka Ishikawa (2014). Traditional Wisdom and Modern Knowledge for the Earth's Future, Lessons from the Asia-Pacific Region. Tokyo, Springer.

১১) Pratt, Mary Louise (1992). Imperial Eyes, Travel Writing and Transculturation. London: Routledge.

১২) Ramani, Srinivasan (2011). "Decolonising Knowledge Systems." Economic and Political Weekly 46, no. 30.

১৩) Rose, Gillian (1993). Feminism and Geography, The Limits of Geographical Knowledge. Minneapolis, University of Minnesota Press.

১৪) Said, Edward (1978). Orientalism. New York : Vintage Books.

১৫) Thrasher, Tanya, and Duane Blue Spruce (2008). The Land Has Memory, Indigenous Knowledge, Native Landscapes, and the National Museum of the American Indian. Chapel Hill, University of North Carolina Press.

১৬) Tonkinson, Robert (2011). "Landscape, Transformations, and Immutability in an Aboriginal Australian Culture." In Cultural Memories, edited by Peter Meusburger, Michael Heffernan, and Edgar Wunder, Knowledge and Space, vol. 4, 333–345. Dordrecht: Springer.

১৭) Turnbull, David. Masons (2000). Tricksters and Cartographers, Comparative Studies in the Sociology of Scientific and Indigenous Knowledge. London, Routledge.

১৮) Whitt, Laurelyn. (2009). Science, Colonialism, and Indigenous Peoples, The Cultural Politics of Law and Knowledge. Cambridge : Cambridge University Press.

*********